**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ। ৰাজ্যৰ ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা।

২। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। ১৩ খন জিলাৰ ৫ লাখৰ অধিক লোক ক্ষতিগ্ৰস্ত।

৩। কামৰূপ জিলাৰ মৰাভিঠাত ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

৪। লোকসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনাৰ সবিশেষ সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ জনাদেশ-২০২৪ শীৰ্ষক দিনজোৰা অনুষ্ঠান।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত ওমানৰ নামিবিয়াক জয়ৰ বাবে ১০৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ লগতে আন কেইবাটাও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰো ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্ট'ৰ অথবা এপ'ল প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুথিও প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হৈছে। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হ'ব আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হ'ব। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়। সেই ঠাইসমূহত পুৱা ৮ বজাৰ পৰা ইভিএমৰে গণনা আৰম্ভ হ'ব। দুপৰীয়া ২ বজালৈ ভোটগণনাৰ স্থিতি স্পষ্ট হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনোৱা অনুসৰি ভোটগণনা সম্পন্ন কৰিবলৈ ৬৪জন সাধাৰণ পৰ্যবেক্ষকক প্ৰতিনিধি হিচাপে

নিযুক্তি দিয়া হৈছে। ইফালে, ৰাজ্যখনত সৰ্বমুঠ ১ লাখ ২৮ হাজাৰ ২৯৯টা পোষ্টেল বেলট প্ৰদান কৰা হৈছে। যোৰহাট লোকসভা সমষ্টিয়ে সৰ্বাধিক পোষ্টেল বেলট লাভ কৰা বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই সেই দিনটোত ভোটগণনা শেষ নোহোৱা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। সেই সময়ছোৱাত সকলো ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ সেৱন, বিক্ৰী, মজুতকৰণ আদি ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধিৰ ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সকলো শুল্কাধীন পণ্যাগাৰ, ভাৰতত নিৰ্মিত বৈদেশিক সুৰাৰ খুচুৰা দোকান অথবা বাৰ, ক্লাব, হোটেল, দেশীয় সুৰাৰ দোকান বা অন্যান্য প্ৰতিষ্ঠানত এই সময়ছোৱাত সুৰা বিক্ৰী বা পৰিবেশন বন্ধ থাকিব। আবকাৰী আইনৰ অধীনত অনুজ্ঞাপত্ৰবিহীনভাৱে মাদক দ্ৰব্য মজুতকৰণৰ বিৰুদ্ধে জিলাসমূহৰ আয়ুক্তৰ দ্বাৰা ব্যাপক অভিযান চলোৱাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইফালে, ভোট গণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। তিনিচুকীয়া জিলা প্ৰশাসনে ভোট গণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত তিনিচুকীয়া, ডুমডুমা, ডিগবৈ আৰু মাকুম বিধানসভা সমষ্টিৰ ভোট গণনা সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰুমত কৰা হ'ব। ইফালে জিলাখনৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ভোটগণনা মাৰ্ঘেৰিটা মহকুমাধিপতিৰ কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমত আৰু শদিয়া বিধানসভা সমষ্টিৰ ভোটগণনা মহকুমাধিপতিৰ কাৰ্যালয়ত স্থান কৰা ষ্ট্ৰং ৰুমত অনুষ্ঠিত কৰা হ'ব। জিলাখনত ফলাফল ঘোষণাৰ দিনটোত আইন-শৃংখলা নিয়ন্ত্ৰণৰ বাবে ১৪৪ ধাৰা জাৰি কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ লাহোৱালৰ বকুলত থকা পলিটেকনিক প্ৰতিষ্ঠানত স্থাপন কৰা ষ্ট্ৰং ৰুমত ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখং, দুলীয়াজান, খোৱাং, নাহৰকটিয়া, চাবুৱা, লাহোৱাল বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব।

যোৰহাট লোকসভা সমষ্টিৰ অধীনৰ শিৱসাগৰ আৰু ডিমৌ বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে। চৰাইদেউ জিলা প্ৰশাসনে ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত জনসাধাৰণৰ যিকোনো ধৰণৰ ওজৰ-আপত্তি বা অভিযোগ থাকিলে ০৩৭৭২-২৯১৮২১ নম্বৰত ফোন কৰি জনাব পাৰিব বুলি প্ৰকাশ কৰিছে।

কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত গোলাঘাট জিলাৰ পাঁচটাকৈ বিধাসভা সমষ্টিতো ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

একেদৰে ডিফু লোকসভা সমষ্টিত ভোটগণনাৰ প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে কাৰ্বি আংলং জিলা প্ৰশাসনে ভোটগণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ক্ষেত্ৰলৈ পদপথ হিচাপে ঘোষণা কৰিছে।

মাজুলীৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত কালি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনৰ ১৯ গৰাকী পৰ্যৱেক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে কাইলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন

সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা চাৰে ৮ বজাৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০

অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ বিধানসভা নিৰ্বাচনৰ কালি ভোটগণনাৰ অন্তত ফলাফল ঘোষণা কৰা হয়। এই অনুসৰি অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৬০টা সমষ্টিৰ ৪৬টাতে বিজয়ী হৈ একক সংখ্যাগৰিষ্ঠতা লাভ কৰি পুনৰবাৰ শাসনভাৰ গ্ৰহণৰ বাবে সাজু হৈছে। ইফালে NPEP ৫খন, NCP ৩খন, PPA-য়ে ২খন, কংগ্ৰেছে এখন আৰু নিৰ্দলীয়ই তিনিখন আসন লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰুণাচল প্ৰদেশৰ জনসাধাৰণক বিজেপিৰ প্ৰতি আস্থা প্ৰকাশ কৰি পুনৰ শাসনভাৰৰ দায়িত্ব দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই এই জয়ৰ বাবে অৰুণাচল প্ৰদেশৰ জনসাধাৰণক কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীনাড্ডাই কয় যে, এই জয় হৈছে ৰাজ্যবাসীৰ এখন সমৃদ্ধিশালী আৰু উন্নত অৰুণাচল প্ৰদেশ কামনাৰ প্ৰতিফলন। শ্ৰীনাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ প্ৰশংসা কৰি কয় যে, বিজেপি, **বিকশিত ভাৰত আৰু বিকশিত অৰুণাচল**ৰ দৃষ্টিভংগীক সম্পূৰ্ণ কৰি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে এই জয়ৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, ৰাজ্যখনৰ বিজেপিৰ মুৰব্বী বিয়ুৰাম ৱাগেফৰকে ধৰি দলৰ কাৰ্যকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে।

ইফালে, ছিকিমত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১খন আৰু ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্টে এখন আসন লাভ কৰে। ব্যাপক সংখ্যাগৰিষ্ঠতাৰে ছিকিম ক্ৰান্তিকাৰী মৰ্চাই দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে। পূৰ্বৰ মুখ্যমন্ত্ৰী পৱন চামলিঙে দুখন আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পৰাজিত হোৱাৰ বিপৰীতে মুখ্যমন্ত্ৰী তথা এছ কে এমৰ সভাপতি প্ৰেম সিং টামাঙে দুটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুয়োটা সমষ্টিতে জয়লাভ কৰে। উল্লেখযোগ্য যে ৪০ বছৰ ধৰি অবিৰতভাৱে নিৰ্বাচনত জয়লাভ কৰা শ্ৰীছামলিঙে এইবাৰ প্ৰথম বাৰৰ বাবে পৰাজয়ৰ সন্মুখীন হয়।

০০০০০০

ৰাজ্যত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। ৰাজ্যৰ ১৩ খন জিলাৰ ৫৬৪ খন গাঁৱৰ ৫ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। তদুপৰি ৮ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি বানত বুৰ গৈছে। চৰকাৰী সূত্ৰ অনুসৰি বিগত ২৪ ঘণ্টাত কাছাৰ জিলাত ২ জন আৰু নগাঁৱত এজন লোকৰ মৃত্যু হৈছে। ইয়াকে লৈ এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৪ হৈছে। আনহাতে, কাছাৰ জিলাত এজন যুৱক আৰু এটি শিশু সন্ধানহীন হৈ আছে। ৰাজ্যখনত ব্ৰহ্মপুত্ৰৰ পানী গুৱাহাটী, গোৱালপাৰা আৰু ধুবুৰী জিলাত ক্ৰমাৎ বৃদ্ধি পাইছে। আনহাতে কপিলী, বৰাক, ধনশিৰি, বুঢ়িদিহিং, গৌৰাং আৰু কুশিয়াৰা নদীৰ পানী ভালেমান ঠাইত বাঢ়িবলৈ লৈছে। কপিলী আৰু বৰপানী নদীৰ বাঢ়নি পানীয়ে নগাঁও জিলাৰ কামপুৰ আৰু ৰহা ৰাজহ চক্ৰৰ অধীনৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। ইতিমধ্যে জিলা প্ৰশাসনে বানত ক্ষতিগ্ৰস্তসকলক উদ্ধাৰ আৰু সাহায্য আগবঢ়োৱাৰ লগতে পশুধনৰ বাবে খাদ্যৰ যোগান ধৰিছে। তদুপৰি নগাঁও জিলা প্ৰশাসনে বান অধ্যুষিত অঞ্চলৰ ১২৩ খনকৈ বিদ্যালয়ৰ পাঠদান আজি আৰু কাইলৈ বন্ধ ৰখাৰ নিৰ্দেশ দিছে।

ইফালে, ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৯৩টা সাহায্য শিবিৰ আৰু ৮২টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। তদুপৰি উদ্ধাৰ আৰু সাহায্যৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী নিয়োগ কৰা হৈছে।

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, বানত কেইবাখনো জিলাৰ ১০৩টাকৈ পথ, মথাউৰি তথা আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হৈছে। ইপিনে, উত্তৰ-পূৰ সীমান্ত ৰে'লৱেই ৰে'লপথৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি নিউ হাফলং-চন্দ্ৰনাথপুৰ ৰে'লসেৱা বাতিল কৰাৰ লগতে এই পথচোৱাৰে চলাচল কৰা আন কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা আংশিকভাৱে বাতিল কৰিছে।

০০০০০০

অসমৰ কামৰূপ জিলাৰ মৰাভিঠাত ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট অৰ্থাৎ আই আই এম স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিছে। ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীৰ সমীপত এই প্ৰতিষ্ঠানটো স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰ ফলত অসম, উত্তৰ-পূব ভাৰতৰ শৈক্ষিক ক্ষেত্ৰত অনন্য কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ আন এটা পথ প্ৰশস্ত হৈছে। উল্লেখযোগ্য যে গুৱাহাটীত নতুনকৈ স্থাপন হ'বলগীয়া এই প্ৰতিষ্ঠানটো উত্তৰ-পূৰ্বাঞ্চলৰ দ্বিতীয়খন আই আই এম। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অহা ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সকলো জিলালৈ নিৰ্দেশনা জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে শেহতীয়াভাৱে জাৰি কৰা এই নিৰ্দেশনাত নিৰ্ধাৰিত সময়ৰ পাছত নতুন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা বন্ধ হৈ পৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে নতুন শিক্ষা বৰ্ষৰ দুটা মাহ অতিক্ৰম কৰাৰ পাছতো শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন চলি থকাত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি ইত্যাদিৰ সুবিধা প্ৰদান কৰিব লাগিব সেয়া থিৰাং কৰাত শিক্ষা বিভাগ অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে বিদ্যালয় শিক্ষা বিভাগে ৰাজ্যৰ সকলো জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত, জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু এ আই নামভৰ্তি সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে।

০০০০০০

অহা ২১ জুনত হ'বলগীয়া দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি ৮ আৰু ৯ জুনত গুৱাহাটীৰ জ্যোতিনগৰৰ কালি মন্দিৰ প্ৰাংগণত দুদিনীয়া যোগাভ্যাস কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ থেৰাপি কেন্দ্ৰৰ উদ্যোগত তথা জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, জ্যোতিনগৰ আৰু সদৌ অসম যোগ মহাসংঘৰ সৌজন্যত এই যোগাভ্যাস কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে সুস্থ অভ্যাসৰ গঢ় দি সকলোকে নিজৰ শৰীৰ আৰু মনৰ যত্ন লোৱাৰ প্ৰতি উৎসাহিত কৰাৰ বাবে প্ৰয়াস কৰা হ'ব।

০০০০০০

ঐতিহাসিক মটক ৰাজ্যৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহ বেদখল হোৱা বুলি সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনে অভিযোগ উত্থাপন কৰিছে। ৰাজ্য চৰকাৰৰ পুৰাতত্ব বিভাগে প্ৰাচীন কীৰ্তিচিহ্নৰ মৰ্যাদা দি সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া বেংমৰা পুখুৰী, দেৱী পুখুৰী, চাউলধোৱা পুখুৰী আদি কীৰ্তিচিহ্ন আৰু মটক ৰাজ্যৰ বুৰঞ্জী প্ৰসিদ্ধ

সমলসমূহ বেদখলমুক্ত কৰি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সন্মিলনৰ জিলা সমিতিয়ে প্ৰশাসনক আহ্বান জনাইছে। এই সন্দৰ্ভত অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিয়ে জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্বাদৌছৰ কেনছিংটন অ'ভেল, ব্ৰীজটাউনত অনুষ্ঠিত এখন খেলত ওমানে নামিবিয়াক ১০৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমাৰ এই বাতৰি যুগুটোৱাৰ পৰলৈকে নামিবিয়াই ১৭ অভাৰ ৩ টা বলত ৪ টা উইকেট হেৰুৱাই ৯৬ ৰান সংগ্ৰহ কৰি খেলি আছে।

ইপিনে, প্ৰতিযোগিতাত কালি গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত অনুষ্ঠিত খেলত সহ আয়োজক ৱেষ্ট ইণ্ডিজে পাপুৱা নিউগিনিক ৫ উইকেটত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজৰ ৰষ্টন ছেজক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি নিউয়ৰ্কৰ নাচাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত শ্ৰীলংকাই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

পেৰিছৰ ষ্টেড ৰ'লা গাৰোত অনুষ্ঠিত ফ্ৰেন্স অ'পেন-২০২৪ৰ পুৰুষৰ ডাবলছত ভাৰতৰ টেনিছ খেলুৱৈ ৰোহন বোপান্না আৰু তেওঁৰ সহযোগী অষ্ট্ৰেলিয়াৰ মেথিউ এবডেন তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। বোপান্না আৰু এবডেনে ব্ৰাজিলৰ মাৰ্চেলো জোৰমান আৰু অৰলেণ্ডো লুজক ৭-৫, ৪-৬, ৬-৪ ফলাফলত পৰাস্ত কৰে। ভাৰত-অষ্ট্ৰেলিয়াৰ টেনিছ যুটিটোৱে দ্বিতীয় ৰাউণ্ডত আৰ্জেণ্টিনাৰ চেবাষ্টিয়ান বেজ আৰু ব্ৰাজিলৰ থিয়াগো ছিবোথ ৱাইল্ডৰ মুখামুখি হ'ব লাগিছিল যদিও প্ৰতিদ্বন্দ্বী দলটোৱে প্ৰত্যাৱৰ্তন কৰাৰ বাবে বোপান্না আৰু এবডেনে গ্ৰেণ্ড শ্লেমৰ তৃতীয় ৰাউণ্ডত ভাৰত-মেক্সিকোৰ যুটি এন শ্ৰীৰাম বালাজী আৰু মিগেল এঞ্জেল ৰেয়েছ-ভাৰেলা মাৰ্টিনেজৰ মুখামুখি হ'ব।

০০০০০০

অসমত স্থাপন হ'ব ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজেমণ্ট, গুৱাহাটীৰ সমীপৰ পলাশবাৰী সমষ্টিৰ মৰাভিঠাত এই উচ্চ শিক্ষা প্ৰতিষ্ঠানখন স্থাপন হ'ব। ২০২৩ চনত অসম চৰকাৰে কৰা অনুৰোধৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰতিষ্ঠানখন স্থাপনৰ বাবে অনুমোদন জনাইছে। এই বাতৰিক গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহে মুখ্য পৃষ্ঠাত স্থান দিয়াৰ লগতে নিয়মীয়া বাৰ্তা কাকতে **অসমত স্থাপন হ'ব বহু প্ৰত্যাশিত আই আই এম** শিৰোনামেৰে প্ৰকাশ কৰিছে।

দেশত বাঢ়িল ৰাষ্ট্ৰীয় ঘাইপথসমূহত থকা টোল গে'টৰ মাচুল। আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ বৃদ্ধি কৰা হৈছে টোল গে'টৰ মাচুল। এই বাতৰিক পাঁচ শতাংশ পৰ্যন্ত বাঢ়িব টোল গে'টৰ মাচুল শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ ভোট গণনাৰ পাছতে বিজেপিৰ উদ্যোগত বিশাল বিজয় উৎসৱ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে দলৰ ৰাজ্যিক নেতৃত্বই ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। গুৱাহাটীত কেন্দ্ৰীয় ভাবে বিজয় উৎসৱৰ আয়োজন কৰাৰ বিপৰীতে প্ৰতিটো লোকসভা সমষ্টিত দলৰ বিজয়ী প্ৰাৰ্থীক লৈ বিশাল শোভাযাত্ৰা বাহিৰ কৰা হ'ব। এই বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাহ ব'ৰ্ডে চাহপাতত নিষিদ্ধ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰাত বটলিফ চাহ ফেক্টৰী কৰ্তৃপক্ষই কেঁচা চাহপাত ক্ৰয় নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ফলত ক্ষুদ্ৰ বাগিচাসমূহত নিয়োজিত চাহ শ্ৰমিকৰ ভৱিষ্যৎ সম্পৰ্কে উদ্বিগ্ন হৈ পৰিছে অসম চাহ মজদুৰ সংঘ। শীঘ্ৰেই এই নিৰ্দেশনাসমূহ পুনৰ বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী আৰু শ্ৰম মন্ত্ৰীক গ্ৰহণযোগ্য পদক্ষেপ ল'বলৈ কেইবাটাও সংগঠনে আহ্বান জনাইছে। এই বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আনহাতে সাতবিধ বিষাক্ত কীটনাশকৰ বিক্ৰী বন্ধ কৰিবলৈ নেতাৰ প্ৰতিনিধি দলে কৃষি মন্ত্ৰী অতুল বৰালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। অসমৰ চাহ উদ্যোগটো ৰক্ষা কৰাৰ স্বাৰ্থত ৰাজ্য চৰকাৰৰ কঠোৰ আৰু জৰুৰী নিয়ন্ত্ৰণৰ দাবী জনাইছে নৰ্থ ইষ্টাৰ্ন টি এছ'চিয়েছনে এই বাতৰিক দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিৰুবালা ৰাভাৰ মৃত্যু দিনত কুসংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস পালিত হ'ব। এই বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

BJP Secures landslide victory in Arunachal এই বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Sikkim CM Tamang thanks PM Modi for unwavering support এই বাতৰিক দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে -- তিহাৰ জেলত আত্মসমৰ্পণ কেজৰিৱালৰ, উৰিয়ামঘাটত বিষাক্ত নাফু খাই শিশুসহ ৯জন লোক অসুস্থ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত